# Telephone conversation between Prime Minister Shri Narendra Modi and Secretary General of the United Nations, H.E. Mr. Antonio Guterres

July 29, 2022

## প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ’ গুটেৰেছ মাজত টেলিফোনিক বাৰ্তালাপ

**জুলাই 29, 2022**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান (ইউএনএছজি) এণ্টনিঅ’ গুটেৰেছ মাজত আজি এক টেলিফোনিক বাৰ্তালাপ হয়।

দুয়োগৰাকী নেতাই শেহতীয়াভাৱে কংগো গণতান্ত্ৰিক গণৰাজ্যত ৰাষ্ট্ৰসংঘৰ সুস্থিৰতা অভিযান (এমঅ’এনইউএছচিঅ’)ৰ সন্দৰ্ভত আলোচনা কৰে, য’ত দুগৰাকী ভাৰতীয় শান্তিৰক্ষী জোৱান শ্বহীদ হৈছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা সচিবক ক্ষিপ্ৰ তদন্ত সুনিশ্চিত কৰি ইয়াৰ জৰিয়তে এই আক্ৰমণৰ অপৰাধীক আদালতৰ কাঠগৰালৈ আনিবলৈ আহ্বান জনায়। তেওঁ ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষাৰ প্ৰতি ভাৰতৰ স্থায়ী প্ৰতিশ্ৰুতিৰ ওপৰত আলোকপাত কৰি এতিয়ালৈকে ২,৫০,০০০ৰো অধিক ভাৰতীয় শান্তিৰক্ষীয়ে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষা অভিযানৰ অধীনত সেৱা আগবঢ়াইছে বুলি কয়। ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষা অভিযানত সেৱা আগবঢ়োৱাৰ সময়ত ১৭৭গৰাকী ভাৰতীয় শান্তিৰক্ষীয়ে জীৱন আহুতি দিছে, যিটো যিকোনো দেশৰ সেৱা আগবঢ়োৱা বাহিনীৰ ভিতৰতে সৰ্ববৃহৎ।

ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানগৰাকীয়ে ভাৰতীয় সীমান্ত সুৰক্ষা বাহিনীৰ শ্বহীদ জোৱান দুগৰাকীৰ পৰিয়ালবৰ্গৰ লগতে ভাৰত চৰকাৰ আৰু ইয়াৰ জনসাধাৰণৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। তেওঁ এমঅ’এনইউএছচিঅ’ৰ ওপৰত হোৱা আক্ৰমণৰ স্পষ্টভাষাৰে নিন্দা কৰাৰ লগতে ক্ষিপ্ৰ তদন্তৰ বাবে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লগতে কংগো গণতান্ত্ৰিক দেশৰ জনসাধাৰণৰ মাজত শান্তি আৰু সুস্থিৰতাৰ প্ৰতি ভাৰতৰ অটল সমৰ্থনৰ কথা উল্লেখ কৰে, য’ত এমঅ’এনইউএছচিঅ’ত প্ৰায় ২০৪০গৰাকী ভাৰতীয় জোৱান নিয়োজিত কৰা হৈছে।

**নতুন দিল্লী**
জুলাই 29, 2022

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.